…নটোৰ বাণী

…মানে কি কৰিছে
…কে নিজে কি কৰিছোঁ
…াহে বেছি দৰকাৰ।

— ৰাজা ৰামমোহন ৰায়

# অসম আদিত্য

RNI REGN. No. : ASS…
epaper.asoma…
Portal : www.aso…
e-mail : asomadit…

…বছৰ ■ সংখ্যা ২৬১ ■ ৮ আহিন, ১৯৪৬ শক ■ বুধবাৰ, ২৫ ছেপ্টেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Wednesday, September 25, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■



স্বাস্থ্য…
চজিনাত প্ৰচুৰ পৰিমাণে …
আইৰন থাকে। মজবুত …
দুয়োবিধ বস্তু প্ৰয়োজনী…
ফছফ'ৰাছ আৰু জিংকে …
লগে হাড় আৰু গাঁঠিবোৰ …


## কানৈ মহাবিদ্যালয়ত ড° যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠান



**ষ্টাফ ৰিপৰ্টাৰ, ২৪ ছেপ্টেম্বৰ ঃ** অসম কলেজ শিক্ষক সংস্থা ডি এইচ এছ কানৈ মহাবিদ্যালয় গোটৰ উদ্যোগত আজি ২৭ সংখ্যক ড০ যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অসম কলেজ শিক্ষক সংস্থা ডি এইচ এছ কানৈ মহাবিদ্যালয় গোটৰ সম্পাদক ড০ উত্তম মহুনে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত মুখ্য বক্তা হিচাপে উপস্থিত থাকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাক্তন মুৰব্বী অধ্যাপিকা ড০ অৰ্চনা শৰ্মাই 'সমৃদ্ধিৰ অৰ্থনীতি আৰু দৰ্শন' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে। ড০ শৰ্মাই বক্তৃতা প্ৰসংগত কয়— অৰ্থনৈতিক, দাৰ্শনিক আৰু মনোবৈজ্ঞানিক প্ৰেক্ষাপটত অৰ্থনীতিয়ে মানুহৰ জীৱনলৈ কেনেদৰে সুখ আৰু সমৃদ্ধি কঢ়িয়াই আনে সেই বিষয়ে তথ্য সহকাৰে বিশ্লেষণ আগবঢ়ায়। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ দ্বাৰা পৰিৱেশিত সমবেত সংগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটোত সভাপতিত্ব কৰে অসম কলেজ শিক্ষক সংস্থা ডি এইচ এছ কানৈ মহাবিদ্যালয় গোটৰ সভাপতি ড০ চন্দনা গোস্বামীয়ে। প্ৰাক্তন মুৰব্বী অধ্যাপিকা ড০ অঞ্জলী ফুকনে উদ্বোধন কৰা বক্তৃতানুষ্ঠানটিত তেওঁ ড০ যোগীৰাজ বসুৰ শৈক্ষিক আৰু কৰ্মজীৱন আলোকপাত কৰে। অধ্যাপিকা ড০ চয়ণিকা গোস্বামীৰ মংগলাচৰণ আৰু পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱাই বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানটিত উপস্থিত সকলোকে আদৰণী জনাই মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই কয়— ড০ যোগীৰাজ বসু এগৰাকী শৈক্ষিক নেতা আছিল আৰু আজিৰ পৰা আশী বছৰ পূৰ্বে প্ৰতিষ্ঠা কৰা মহাবিদ্যালয়খনৰ তেওঁ আছিল এজন স্বপ্ন দ্ৰষ্টা। তেওঁ এগৰাকী দূৰদৰ্শী ব্যক্তি আছিল আৰু শিক্ষা সকলোৰে বাবে সুলভ হ'ব লাগে এই দৰ্শনত তেওঁ বিশ্বাসী আছিল। উত্তৰ-পূব ভাৰতৰ ডিব্ৰুগড় অঞ্চলত উচ্চ শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰত তেওঁ অক্লান্তভাৱে পৰিশ্ৰম কৰিছিল। তেওঁ গঢ়ি যোৱা মূল্যবোধ আৰু আদৰ্শৰে মহাবিদ্যালয়খন উজ্জীৱিত কৰি ৰখাত মহাবিদ্যালয়ৰ সকলোকে ধন্যবাদ জনায়। তেওঁ কয় যে আনুষ্ঠানিক শিক্ষা, জ্ঞান, অভিজ্ঞতা সীমিত থকা সত্ত্বেও তেওঁ উঠি অহা প্ৰজন্মক আগুৱাই নিবলৈ শিক্ষানুষ্ঠান গঢ়াৰ সপোন দেখিছিল। প্ৰতিষ্ঠাপক অধ্যক্ষগৰাকীৰ নিষ্ঠা আৰু দৃষ্টিভংগীয়ে সপোনক বাস্তৱত পৰিণত কৰিলে বুলিও তেওঁ কয়। শিক্ষানুষ্ঠান এটা গঢ়াৰ মূল উদ্দেশ্য কেৱল শিক্ষা বা জ্ঞান আহৰণেই নহয় বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়— শিক্ষানুষ্ঠান এটাই চৰিত্ৰ গঢ়ি তোলা, সহানুভূতি বৃদ্ধি কৰা আৰু চৌপাশৰ জগতখনৰ বিষয়ে গভীৰ বুজাবুজি কৰি তোলাৰ ওপৰত গুৰুত্ব দিয়ে। প্ৰতিষ্ঠাপক অধ্যক্ষগৰাকীয়ে শিক্ষাক পৰিৱৰ্তনশীল শক্তিৰূপে বিশ্বাস কৰিছিল বুলিও তেওঁ কয়। এনে এজন বৰেণ্য ব্যক্তি, পণ্ডিত এগৰাকীৰ নামত প্ৰতিবছৰে বক্তৃতাৰ আয়োজন কৰাত শিক্ষক গোটৰ সভাপতি, সম্পাদককে প্ৰমুখ্য কৰি সকলোকে ধন্যবাদ জ্ঞাপন কৰে। ড০ বসুৰ শিক্ষাৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ বাবে তেওঁক গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে আৰু তেওঁৰ স্মৃতি জীয়াই ৰখাৰ ক্ষেত্ৰত সকলোকে আগবাঢ়ি আহিবলৈ অনুৰোধ জনায়। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ কেইগৰাকীও প্ৰাক্তন অধ্যাপক-অধ্যাপিকাক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামী, অসম কলেজ শিক্ষক সংস্থাৰ কাৰ্যবাহী সদস্য ড০ দীপংকজ গগৈকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, বহুকেইগৰাকী প্ৰাক্তন অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি মুখ্য বক্তাৰ লগত এক মত-বিনিময় অনুষ্ঠানো অনুষ্ঠিত হয়। শেষত শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ অধ্যাপিকা ড০ চয়ণিকা গোস্বামীয়ে।